# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-10-2025
**Time :** 0705 hrs

## *Assamese Morning Bulletin*
# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত হ'বলগীয়া ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘ, আৰ এছ এছৰ শতবৰ্ষ অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

২। কেন্দ্ৰীয় চৰকাৰ পঞ্জাৱৰ জনসাধাৰণক সকলো প্ৰকাৰৰ সহায় কৰিবলৈ সাজু বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰকাশ কৰিছে।

৩। দেশৰ বিভিন্ন প্ৰান্তত শাৰদীয় দুৰ্গাপূজাৰ আজি মহা নৱমী পালন কৰা হৈছে।

*আৰু*

৪। মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ উদ্বোধনী খেলখনত ভাৰতে শ্ৰীলংকাক ৫৯ ৰানত পৰাজিত কৰি জয়েৰে প্ৰতিযোগিতাৰ আৰম্ভনি কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত হ'বলগীয়া ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘ, আৰ এছ এছৰ শতবৰ্ষ অনুষ্ঠানত অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানত আৰ এছ এছৰ ইতিহাস, সাংস্কৃতিক অৱদান আৰু দেশৰ অখণ্ডতা ৰক্ষাত থকা ভূমিকাত আলোকপাত কৰা হ'ব। এই অনুষ্ঠানতে প্ৰধানমন্ত্ৰীয়ে বিশেষভাৱে প্ৰস্তুত কৰা এটা স্মাৰক ডাক টিকট আৰু মুদ্ৰা মুকলি কৰিব।

ooooo

নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰে পঞ্জাৱৰ জনসাধাৰণক সকলো প্ৰকাৰৰ সহায় কৰিবলৈ সাজু আৰু ৰাজ্যখনৰ বানপীড়িত লোকসকলক সম্ভৱপৰ সকলো সহায় আগবঢ়াবলৈ প্ৰতিশ্ৰুতিবদ্ধ। কালি সন্ধিয়া নতুন দিল্লীত পঞ্জাৱৰ মুখ্যমন্ত্ৰী ভগৱন্ত মানে গৃহমন্ত্ৰী অমিত শ্বাহক সাক্ষাৎ কৰাৰ পাছত গৃহমন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে তেওঁক বাৰিষাৰ সময়ত হোৱা বানে ৰাজ্যখনত কৰা ক্ষতিৰ বিষয়ে অৱগত কৰাৰ লগতে ৰাজ্যখনৰ দুৰ্যোগ সাহায্যৰ বাবে অতিৰিক্ত পুঁজিৰ বাবে আৱেদন জনায়। কালিৰ বৈঠকত কেন্দ্ৰীয় চৰকাৰৰ নীতি অনুসৰি ক্ষতিগ্ৰস্ত লোকসকলক সাহায্য আৰু তাৎক্ষণিক উদ্ধাৰৰ বাবে ৰাজ্যিক দুৰ্যোগ সঁহাৰি পুঁজিত ৰাজ্যখনৰ ১২ হাজাৰ ৫৮৯ কোটি টকাৰো অধিক ধন আছে বুলি জনোৱা হয়।

গৃহ পৰিক্ৰমা মন্ত্ৰালয়ে এটা বিবৃতি যোগে জনায় যে, ৰাজ্যখনৰ শেহতীয়া বানৰ সময়ত কেন্দ্ৰীয় চৰকাৰে ৰাজ্যখনলৈ সকলো ধৰণৰ সহায় আগবঢ়াইছে। মন্ত্ৰালয়ে লগতে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোৱা ৯ ছেপ্তেম্বৰত পঞ্জাৱ ভ্ৰমণ কৰি ৰাজ্যখনৰ বান পৰিস্থিতি আৰু তাত হোৱা ক্ষতিৰ বিষয়ে পৰ্যালোচনা কৰিছিল।

মন্ত্ৰালয়ে উল্লেখ কৰে যে, প্ৰধানমন্ত্ৰীয়ে ঘোষণা কৰা ১৬০০ কোটি টকাৰ আৰ্থিক সাহায্যৰ ভিতৰত ৮০৫ কোটি টকা ইতিমধ্যে ৰাজ্য চৰকাৰৰ হিতাধিকাৰীলৈ মুকলি কৰি দিয়া হৈছে।

০০০০০

শাৰদীয় দুৰ্গাপূজাৰ আজি মহা নৱমী। দেশৰ বিভিন্ন প্ৰান্তত উলহ-মালহেৰে দুৰ্গাপূজা পালন কৰা দেখা গৈছে। নৱৰাত্ৰিৰ প্ৰথম দিনাৰে পৰা যথাবিহিত ৰীতি-নীতিৰে বিভিন্ন দেৱালয়সমূহত দেৱীক পূজা-অৰ্চনা কৰা হৈছে। অসমত জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ আকস্মিক বিয়োগত ৰাজ্যজুৰি সৃষ্টি হোৱা শোকাকুল পৰিস্থিতিৰ মাজতে জনসাধাৰণে অশুভ শক্তিৰ বিৰুদ্ধে শুভ শক্তিৰ বিজয় বিচাৰি শক্তিৰূপিনী দুৰ্গাৰ আৰাধনা কৰিছে। আমাৰ সংবাদদাতাই জনোৱা অনুসৰি দুৰ্গাপূজা অসমৰ অন্যতম আটাইতকৈ উলহ-মালহেৰে উদযাপন কৰা উৎসৱ। কেৱল গুৱাহাটী মহানগৰতে ৫০০ ৰো অধিক মণ্ডপত দুৰ্গাপূজা অনুষ্ঠিত হৈছে।

০০০০০

পৰৱৰ্তী প্ৰজন্মৰ জি এছ টি সংস্কাৰে ভাৰতৰ পৰোক্ষ কৰ ব্যৱস্থা সৰলীকৰণৰ দিশত গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। যোৱা ২২ ছেপ্তেম্বৰত এই নতুন ব্যৱস্থা ৰূপায়ণ কৰা হৈছে আৰু জনসাধাৰণে বৰ্তমান জি এছ টি সংস্কাৰৰ সুবিধা লাভ কৰিবলৈ সমৰ্থ হৈছে। এই নতুন ব্যৱস্থাৰ অধীনত জি এছ টি পৰিষদে পূৰ্বৰ ৫ শতাংশ, ১২ শতাংশ, ১৮ শতাংশ আৰু ২৮ শতাংশ জি এছ টিৰ সৰলীকৰণ কৰি ইয়াক বৰ্তমান ৫ আৰু ১৮ শতাংশ কৰিছে। সামগ্ৰী আৰু সেৱাৰ বিস্তৃত ক্ষেত্ৰত কৰৰ বোজা হ্ৰাস কৰাৰ জৰিয়তে জনসাধাৰণক যথেষ্ট সকাহ প্ৰদান কৰা হৈছে।

ছাত্ৰ-ছাত্ৰীসকলৰ বাবে পৰৱৰ্তী প্ৰজন্মৰ জি এছ টি সংস্কাৰৰ অধীনত বহী, পেঞ্চিল আদিত ১২ শতাংশ ৰেহাই দিয়া হৈছে । একেদৰে ৰবৰৰ ক্ষেত্ৰত এতিয়াৰে পৰা কোনো ধৰণৰ জি এছ টি নাথাকিব । জ্যামিতিৰ বাকচ, ৰঙৰ বাকচ আৰু পেঞ্চিল বাকচত পূৰ্বৰ ১২ শতাংশৰ পৰা ৫ শতাংশলৈ হ্ৰাস কৰা হৈছে । এই খণ্ডত কৰ কৰ্তনে ছাত্ৰ-ছাত্ৰীৰ আৰ্থিক চাপ লাঘৱ কৰাৰ লগতে বজাৰত এই সামগ্ৰীসমূহৰ খুচুৰা বিক্ৰী বৃদ্ধি কৰিব।

০০০০০

তামিলনাড়ুৰ এননোৰ বি এইচ ই এল থাৰ্মেল পাৱাৰ প্লাণ্ট নামৰ প্ৰতিষ্ঠানৰ নিৰ্মাণ কৰি থকা তোৰণ খহি কালি ৯ জন শ্ৰমিকৰ মৃত্যু হোৱাৰ লগতে বহু লোক আহত হয়। এই শ্ৰমিকসকল অসমৰ বুলি জানিব পৰা গৈছে। কৰ্মীসকলে উপযুক্ত সুৰক্ষা কবচ পৰিধান নকৰাকৈ কাম কৰি থকা অৱস্থাত এই দুৰ্ঘটনা সংঘটিত হয়। আহতসকলক ষ্টেনলি চৰকাৰী চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে।

তামিলনাড়ুৰ মুখ্যমন্ত্ৰী এম কে ষ্টেলিনে দুৰ্ঘটনাত নিহতসকলৰ পৰিয়াললৈ ১০ লাখ টকাকৈ সাহায্য আগবঢ়োৱা হ'ব বুলি ঘোষণা কৰিছে। এটা বিবৃতিত তেওঁ শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ

সমবেদনা জ্ঞাপন কৰি শ্ৰমিকসকলৰ মৃতদেহ অসমৰ গৃহ চহৰলৈ প্ৰেৰণ কৰাৰ ব্যৱস্থা কৰা হ'ব বুলি উল্লেখ কৰে।

ooooo

লোকসেৱা আৰু সু-শাসনৰ দ্বাৰা পৰিচালিত হৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত চৰকাৰে পৰিৱৰ্তন আৰু প্ৰগতি অনাৰ বাবে চৰকাৰে নিৰন্তৰ কাম কৰি আহিছে। আমাৰ সেৱা পৰ্বৰ বিশেষ প্ৰতিবেদনলানিত আজি আগবঢ়াইছো মোদী চৰকাৰে ভাৰতৰ জি-২০ৰ কিদৰে সফল কৰিছে গ্ল'বেল ছাউথত ভাৰতৰ ভূমিকা আৰু বিশ্বব্যাপি ভাৰতৰ নেতৃত্ব কিদৰে শক্তিশালী কৰিছে।

*প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত দেশে বিশ্বব্যাপী বিশেষ নেতৃত্ব হিচাপে আত্মপ্ৰকাশ কৰিছে। ২০২৩ চনত দেশে জি-টুৱেণ্টিৰ অধ্যক্ষতাত গ্ল'বেল ছাউথক বিশেষভাৱে প্ৰভাৱিত কৰিছে। আফ্ৰিকান ইউনিয়নৰ সদস্যকে ধৰি গোলকীয় জৈৱ ইন্ধনৰ ক্ষেত্ৰতো ভাৰতে বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। ভাৰতৰ জি-টুৱেণ্টি অধ্যক্ষতাৰ মূল মন্ত্ৰ বসুধৈৱ কুটুম্বকমে দেশৰ সভ্যতা নীতি আৰু বিশ্ব সহযোগিতা প্ৰতিফলিত কৰে। আফ্ৰিকান ইউনিয়নক জি-টুৱেণ্টিৰ স্থায়ী সদস্য ৰূপে অন্তৰ্ভুক্ত কৰাৰ লগতে ইয়াক সম্প্ৰসাৰিত কৰি বিশ্বৰ মুঠ জনসংখ্যাৰ ৮০ শতাংশ সামৰি লোৱা হৈছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে ভাৰতৰ অধ্যক্ষতাই তেওঁলোকৰ সামূহিক স্বাৰ্থক প্ৰতিনিধিত্ব কৰিবলৈ এখন মঞ্চ প্ৰদান কৰিছে। ভাৰতৰ জি-টুৱেণ্টিৰ অধ্যক্ষতাত দেশৰ বৈচিত্ৰ্যপূৰ্ণ সাংস্কৃতিক ঐতিহ্যক সমগ্ৰ বিশ্বৰ আগতে প্ৰদৰ্শন কৰাত সহায় কৰে।*

ooooo

ভাৰত-ইউৰোপীয় মুক্ত বাণিজ্য সংস্থাৰ বাণিজ্য আৰু অৰ্থনৈতিক অংশীদাৰিত্ব চুক্তি আজিৰে পৰা কাৰ্যকৰী কৰা হ'ব। বাণিজ্য আৰু উদ্যোগ মন্ত্ৰালয়ে এটা বিবৃতি যোগে কয়, যে যোৱা বছৰ ১০ মাৰ্চত নতুন দিল্লীত এই চুক্তি স্বাক্ষৰিত হৈছিল। ভাৰত-ইউৰোপীয় মুক্ত বাণিজ্য সংস্থা অৰ্থাৎ ই এফ টি এ হৈছে- সামগ্ৰী আৰু সেৱাৰ আন্তঃৰাষ্ট্ৰীয় বাণিজ্য বৃদ্ধিৰ বাবে কাম কৰি অহা এটা গোট। ইয়াৰ অন্তৰ্গত দেশসমূহ হ'ল আইচলেণ্ড, নৰ'ৱে, ছুইজাৰলেণ্ড, লিক্টেনষ্টাইন। ইয়াৰ ভিতৰত ছুইজাৰলেণ্ড হৈছে ভাৰতৰ সৰ্ববৃহৎ বাণিজ্যিক অংশীদাৰ। বাণিজ্য আৰু অৰ্থনৈতিক অংশীদাৰিত্ব চুক্তি হৈছে আধুনিক আৰু অভিলাষী চুক্তি য'ত ভাৰতে মুক্ত বাণিজ্য চুক্তিত বিনিয়োগ কৰাৰ লগতে কৰ্মসংস্থানৰ সৃষ্টিৰ বাবেও প্ৰতিশ্ৰুতিবদ্ধ। এই চুক্তিত সামগ্ৰীৰ সৈতে জড়িত বাণিজ্যৰ সুবিধা বজাৰ, বিনিয়োগৰ প্ৰসাৰ আৰু বহনক্ষম উন্নয়নত গুৰুত্ব প্ৰদান কৰা হয়। ইয়াৰ অধীনত কৃষিযুক্ত সামগ্ৰীৰ উপৰিও আন সামগ্ৰীসমূহতো শুল্ক ৰেহাই দিয়া হয়। ইয়াৰ উপৰিও এই বিনিয়োগত ১০ লাখ কৰ্মসংস্থাপনৰ সুবিধা প্ৰদান কৰা হ'ব। এই চুক্তিয়ে ভাৰতক ৰপ্তানীৰ ক্ষেত্ৰত বিশেষ সুবিধা প্ৰদান কৰাৰ লগতে বাণিজ্য আৰু বিনিয়োগৰ অনুকূল পৰিৱেশৰো সৃষ্টি কৰিব।

ooooo

মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে বিহাৰৰ ভোটাৰ আৰু মুখ্য নিৰ্বাচনী বিষয়া, নিৰ্বাচনী পঞ্জীয়ন বিষয়া আৰু বুথ পৰ্যায়ৰ বিষয়াকে ধৰি নিৰ্বাচনৰ লগত জড়িত বিষয়াসকলক ধন্যবাদ জ্ঞাপন কৰিছে। ২২ বছৰৰ পাছত বিহাৰত ভোটাৰ তালিকাৰ বিশেষ সংশোধন চমুকৈ এছ আই আৰ সফলভাৱে সমাপ্ত কৰাৰ বাবে দলসমূহৰ নেতা আৰু সংবাদ মাধ্যমকো তেওঁ ধন্যবাদ জ্ঞাপন

কৰে। নিৰ্বাচন আয়োগে কালি বিহাৰ বিধানসভা নিৰ্বাচনৰ বাবে চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰে। এই চূড়ান্ত তালিকাত সাত কোটি ৪২ লাখ ভোটাৰক অন্তৰ্ভুক্ত কৰা হৈছে।

০০০০০

মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ উদ্বোধনী খেলখনত ভাৰতে শ্ৰীলংকাক ৫৯ ৰানত পৰাজিত কৰি জয়েৰে প্ৰতিযোগিতাৰ আৰম্ভণি কৰিছে। গুৱাহাটীৰ বৰ্ষাপাৰাৰ অসম ক্ৰিকেট এচোচিয়েচন ষ্টেডিয়ামত যোৱানিশা অনুষ্ঠিত খেলখনত ভাৰতে ডি এল এছ্ পদ্ধতিত নিৰ্ধাৰণ কৰি ২৭১ ৰানৰ বিজৰ লক্ষ্যৰ প্ৰত্যুত্বৰত শ্ৰীলংকাই ৪৫ দশমিক ৪ অভাৰত ২১১ ৰানহে কৰিবলৈ সমৰ্থ হয়। বৰষুণৰ বাবে কেইবাবাৰো বিঘ্নিত হোৱা খেলখন ৪৭ অভাৰলৈ সীমিত কৰা হয়। ভাৰতে ৮ উইকেটত ২৬৯ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ অমনজৌত কৌৰে সৰ্বোচ্চ ৫৭ ৰানৰ বৰঙনি আগবঢ়ায়। শ্ৰীলংকাৰ হৈ ইনোকা ৰানাৱীৰাই চাৰিটা উইকেট অধিকাৰ কৰে। বৰষুণৰ বাবে ডাক ৱৰ্থ লুইচ পদ্ধতিৰে শ্ৰীলংকাৰ সন্মুখত ২৭১ ৰানৰ বিজয় লক্ষ্য নিৰ্ধাৰণ কৰা হয়। ভাৰতৰ দিপ্তী শৰ্মাক প্লেয়াৰ অব দ্যা মেচ ঘোষণা কৰা হয়।

উল্লেখযোগ্য যে, ২০২৫ চনত এই মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ৮টা দল – ভাৰত, শ্ৰীলংকা, অষ্ট্ৰেলিয়া, ইংলেণ্ড, নিউজিলেণ্ড, দক্ষিণ আফ্ৰিকা, বাংলাদেশে আৰু পাকিস্তানে অংশগ্ৰহণ কৰিছে। ত্ৰয়োদশ সংখ্যক এই বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ খেলসমূহত ভাৰতৰ লগতে শ্ৰীলংকাতো অনুষ্ঠিত হ'ব। হৰমতপ্ৰীত কৌৰৰ নেতৃত্বত ভাৰতীয় দলটো অহা দেওবাৰে কলম্বোত পাকিস্তানৰ সন্মুখীন হ'ব।

০০০০০

**সমাপ্ত**